১০ পৃষ্ঠাত

# অসম আদিত্য

RNI REGN. No.
epaper.as
Portal : www.
e-mail : asom

২৯ ব'হাগ, ১৯৪৫ শক ■ শনিবাৰ, ১৩ মে', ২০২৩ ■ Asom Aditya, Dibrugarh, Saturday, May 13, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

ৰাতি দৈ খা
বৃদ্ধি হয়। তে
হজমত বিঘি
হোৱাৰ স

## ত চেইণ্ট
## য় উদ্বোধন

১২ মে'ঃ তৈলনগৰী
চইণ্ট থমাছ বিদ্যালয়খন
জানৰ হুকুটা চাৰিআলিত
ত এই উপলক্ষে এক
ৰা হয়। এই অনুষ্ঠানত
ম আৰু প্ৰাকৃতিক গেছ
ী ৰামেশ্বৰ তেলীয়ে
দ্বোধনী অনুষ্ঠানত ভাষণ
হ চহৰখনত এনে এখন
ৰাত উদ্যোক্তাসকলক
াতে কয় যে সকলো
বস্থা থকা এনে উন্নত
ণ্ট থমাছ বিদ্যালয়খনে
আমূল পৰিৱৰ্তন আনিব
। আনহাতে, উদ্বোধনী
ান বিধানসভা সমষ্টিৰ
। লিমিটেডৰ ফণ্টিয়াৰ
ৱা, বিশিষ্ট চিকিৎসক
া দুলীয়াজানৰ শিক্ষা
সংযোজনত আনন্দ
খনৰ শৈক্ষিক পুস্তিকা
বিভাগৰ মহাপ্ৰবন্ধক
হাজৰিকা, শ্ৰীনিৱাসন,
ালয়খনৰ পৰিচালনা
হিলৰ বিযয়া কিশোৰ
ৰ ৰেল লগিং বিভাগৰ
লৰ মুখ্য মহাপ্ৰবন্ধক
কণজ্যোতি শইকীয়া
পে উপস্থিত থাকে।

## ডিব্ৰুগড়ত জয়ন্ত বৰুৱাক বিভিন্ন দল-সংগঠনৰ সম্বৰ্ধনা জ্ঞাপন

# এমাহৰ ভিতৰত সম্পূৰ্ণ হ'ব হেমকোষৰ পঞ্চদশ সংস্কৰণ




**ষ্টাফ ৰিপৰ্টাৰ, ১২ মে'ঃ** বিশ্বৰ সৰ্ববৃহৎ দ্বি-ভাষিক ব্ৰেইল অভিধান প্ৰকাশেৰে নেত্ৰহীনক আলোকৰ পোহৰেৰে আলোকিত কৰা সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক জয়ন্ত বৰুৱাক আজি ডিব্ৰুগড় বিভিন্ন দল-সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰে। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ অমৰ সৃষ্টি হেমকোষ অভিধান ব্ৰেইল সংস্কৰণৰ যোগেদি গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ কৰা তথা অসমীয়া ভাষা, সাহিত্য, সংবাদ ক্ষেত্ৰত অন্যতম বৰঙনি যোগোৱা সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী জয়ন্ত বৰুৱাক আজি বৈৰাগীমঠস্থিত 'অসমীয়া প্ৰতিদিন' কাৰ্যালয়ত সম্বৰ্ধনা জ্ঞাপনৰ উদ্দেশ্যে এক সভা অনুষ্ঠিত হয়। সহধৰ্মিণী ৰুবি বৰুৱাৰ অংশগ্ৰহণত অনুষ্ঠিত সভাখনত ডিব্ৰুগড় সাহিত্য সভা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় জিলা সাংবাদিক সন্থা, ডিব্ৰুগড় ছাত্ৰ সন্থা, সোনোৱাল কছাৰী ছাত্ৰ সন্থা, অসম জাতিয়তাবাদী যুৱ পৰিষদ, টাই আহোম ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ, আটছা, বৈৰাগীমঠ ব্যৱসায়ী সন্থা, ডিব্ৰুগড় ইমিডিয়া ফ'ৰাম, মিলনজ্যোতি সংঘ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, বেংগলী যুৱ ছাত্ৰ সন্মিলন, মটক যুৱ ছাত্ৰ সন্মিলন, নাগৰিক মঞ্চ, আমোলাপট্টি নাট্য মন্দিৰ কৰ্তৃপক্ষ, গণনাট্য সংঘ আদিকে ধৰি ডিব্ৰুগড়ৰ ভালেমান দল-সংগঠনে ফুলাম গামোচ, জাপি, শৰাই, সম্বৰ্ধনা-পত্ৰৰে জয়ন্ত বৰুৱালৈ শ্ৰদ্ধা নিবেদন কৰে। ডিব্ৰুগড়ৰ দল-সংগঠনৰ আন্তৰিকতাক কৃতজ্ঞতা জনাই প্ৰদান কৰা ভাষণত সাদিন-প্ৰতিদিন গোষ্ঠীৰ পিতামহ জয়ন্ত বৰুৱাই এই মাহৰ ভিতৰতে হেমকোষ অভিধানৰ পঞ্চম সংস্কৰণ প্ৰকাশ পাব বুলি উল্লেখ কৰে। ড° বসন্ত গোস্বামী, ড° উপেন ৰাভা হাকাচাম, ড° মালিনী গোস্বামীয়ে সংস্কৰণৰ কামখিনি চাই আছে। অনুষ্ঠানত ফুলাম গামোচা, চেলেং চাদৰ, স্মাৰক আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়া, উপ-সভাপতি বিভাস দুৱৰা, সম্পাদক ৰাতুল গোহাঁইয়ে। উক্ত অনুষ্ঠানত ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি বিপিন শৰ্মা, সন্থাৰ সাধাৰণ সম্পাদক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি মনজিৎ বৰা, উপ-সভাপতি বিভাস দুৱৰা, সম্পাদক ৰাতুল বুঢ়াগোহাঁই, সহকাৰী সম্পাদক মুক্তমনি হাজৰিকসহ জিলাখনৰ অন্যান্য সাংবাদিকসকলেও সম্বৰ্ধনা জ্ঞাপন কৰে। শেষত শলাগ জ্ঞাপন কৰে জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ চক্ৰৱৰ্তীয়ে।

## ...ক্ষম ৰাখিবলৈ সক্ষম সম্পূৰ্ণ কেন্দ্ৰ বিদ্যা...

## আমোলাপট্টিত সাংস্কৃ...